**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ৰাজ্যজুৰি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন।

২। ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীৰ উপস্থিতিত জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানেৰে সুধাকণ্ঠৰ জন্মশতবাৰ্ষিকীৰ উদ্বোধন।

৩। বি টি চিৰ নিৰ্বাচনৰ বাবে বি পি এফ, ইউ পি পি এল, বিজেপিকে ধৰি ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৪। অসমত বছৰি গড়ে সাত হাজাৰটা পথ দুৰ্ঘটনাত তিনি হাজাৰ জন লোকৰ প্ৰাণহানি হয় বুলি পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ প্ৰতিবেদনত প্ৰকাশ।

**আৰু**

৫। পুৰুষৰ এছিয়া কাপ হকী চেম্পিয়নশ্বিপৰ ফাইনেলত দক্ষিণ কোৰিয়াক হৰুৱাই  চতুৰ্থবাৰৰ বাবে ভাৰতৰ খিতাপ দখল।

০০০০০০

বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে  ৰাজ্যজুৰি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মানৱতা আৰু সমন্বয়ৰ বাৰ্তাৰে বিশ্বৰ বুকুত সাঁচ ৰাখি থৈ যোৱা গণ শিল্পীগৰাকীৰ জন্মদিনত আজি শদিয়াৰ পৰা ধুবুৰীলৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানেৰে সুধাকণ্ঠৰ জন্মশতবাৰ্ষিকীৰ উদ্বোধন কৰা হ'ব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩৩খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে আজিৰেপৰা ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে। ইয়াৰ উপৰি দেশে-বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

অসম সাহিত্য সভাৰ উদ্যোগত আৰু ওদালগুৰি জিলাৰ শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ শতদল শাখা সাহিত্য সভাৰ সহযোগত আজি আৰু কাইলৈ শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পুৱাৰ ভাগত বন্তি প্ৰজলন, গছপুলি ৰোপণ, গ্ৰন্থ বিপনী মুকলি, ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া শিল্পীগৰাকীৰ স্মৃতিত এশ গছি বন্তি প্ৰজলন কৰা হ'ব। কাইলৈ ড° ভূপেন হাজৰিকাৰ প্ৰতিকৃতি অংকন প্ৰতিযোগিতা আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব।

গুৱাহাটী মহানগৰীতো শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি কালিৰেপৰা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে কালি পুৱা জালুকবাৰী ভূপেন হাজৰিকা সমাধিক্ষেত্ৰৰ পৰা এটা চাইকেল সমদল উলিওৱা

হয়। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সম্পাদিকা মঞ্জুলা হাজৰিকাই এই সমদল মুকলি কৰে। শিল্পীগৰাকীৰ জীৱনক লৈ নিৰ্মাণ কৰা ‘ভূপেন দা আনকাট’ নামৰ এখন তথ্যচিত্ৰ কালি গুৱাহাটীৰ অনুৰাধা চিত্ৰগৃহত প্ৰদৰ্শন কৰা হয়। এই কাৰ্যসূচীত শিল্পীগৰাকীৰ পুত্ৰ তেজ হাজৰিকাৰ লগতে তেওঁৰ পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সন্থাই সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বছৰজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ দীঘলী পুখুৰীৰ পাৰত আজি দিনৰ ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ৰাজ্যৰ প্ৰতিখন জিলাৰ মহাবিদ্যালয়সমূহৰ পৰা বাছনি কৰা শ্ৰেষ্ঠ কণ্ঠশিল্পী, বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীকে ধৰি সমবেত ৰাইজে ‘মানুহে মানুহৰ বাবে’ গীতটি পৰিৱেশন কৰিব। সন্ধিয়াৰ ভাগত শিল্পীগৰাকীৰ স্মৃতিত ১০০ গচি বন্তি প্ৰজ্বলন কৰা হ’ব। ডং ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি সদৌ অসম ছাত্ৰ সন্থাই এখন স্মাৰক গ্ৰন্থও প্ৰকাশ কৰিব।

অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ কোকৰাঝাৰ জিলা আৰু মাজুলী জিলা সমিতিয়ে আবৃত্তি কাৰ্যসূচীৰে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভ কৰে। মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ত কেইবাশতাধিক আবৃত্তিকাৰে ডং অমৰজ্যোতি চৌধুৰীৰ কবিতা মৃত্যু জিনাৰ গান আবৃত্তি কৰে। কোকৰাঝাৰৰ সুধাকণ্ঠ কাননত ৩২গৰাকী আবৃত্তিকাৰে শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিৰ সন্মুখত আবৃত্তি কৰি শ্ৰদ্ধা নিবেদন কৰে।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিমৌ সমজিলা প্ৰশাসনৰ সহযোগত ডিমৌ জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰকল্পত আজি পুৰা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ’ব।

ডং ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি তিতাবৰ সমজিলা প্ৰশাসনৰ উদ্যোগত এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ’ব।

ইপিনে, ৰাজ্যৰ জিলাসমূহত শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ উদযাপনৰ সৈতে সংগতি ৰাখি কালি ডং অমৰজ্যোতি চৌধুৰী ৰচিত মৃত্যু জিনাৰ গান কবিতাটি সমুহীয়াভাৱে আবৃত্তি কৰা হয়। এই উপলক্ষে তেজপুৰত অসম আবৃত্তি আৰু সাংস্কৃতিক পৰিষদৰ উদ্যোগত আয়োজন কৰা অনুষ্ঠানত দুই-শতাধিক লোকে কবিতা আবৃত্তি কৰি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। আয়োজিত বিশেষ কাৰ্যসূচীত ন-দুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াকে ধৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

- বাইট -

মঙলদৈত আজি শিল্পীগৰাকীৰ জন্ম দিন উপলক্ষে চাৰি শতাধিক নবীন-প্ৰবীণ আবৃত্তিকাৰে কবিতাটি আবৃত্তি কৰিব। গোৱালপাৰা জিলাত বিভিন্ন দল-সংগঠনে আজি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে। পুৱা জিলা আয়ুক্ত কাৰ্যালয়ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, বিয়লি নটসূৰ্য ফণী শৰ্মা ভৱনত স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হৈছে। গোৱালপাৰা মহাবিদ্যালয়ত আজি ডেৰ শতাধিক আবৃত্তিকাৰে ‘মৃত্যু জিনাৰ গান’ কবিতাটি পৰিৱেশন কৰিব। কামৰূপ জিলাত এই উপলক্ষে মানৱ শৃংখল আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সৈতে এখন বৈঠকত মিলিত হৈ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰে। ডং শৰ্মাই লগতে সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু চাহ জনজাতি মহিলা সমিতিৰ সৈতে জনগোষ্ঠীটোৰ কল্যাণ সন্দৰ্ভত বিভিন্ন বিষয়ত আলোচনা কৰে। এই বৈঠকতে সদ্যঘোষিত এম বি বি এছৰ ৩০ খন সংৰক্ষিত আসন লাভৰ বাবে চাহ জনগোষ্ঠীয় লোকসকলক প্ৰতিখন জিলাতে বিশেষ প্ৰমাণপত্ৰ প্ৰদানৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে তিনিজনীয়া সদস্যৰ উপদেষ্টা সমিতি গঠন কৰাৰ সিদ্ধান্ত লয়। বৈঠকত চাহ জনজাতিৰ লোকসকলৰ কল্যাণ সম্পৰ্কীয় অন্যান্য দিশসমূহ আলোচনা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰ চাহ বাগিচাৰ আদিবাসী সমাজৰ বিকাশ নিশ্চিত কৰাৰ হকে প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০

অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বি টি চিৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিটিআৰৰ অন্তৰ্গত জিলাকেইখনত ৰাজনৈতিক দলসমূহে সভা, সমদলৰ জৰিয়তে ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে।

ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে কালি বাক্সা জিলাৰ মুছলপুৰত নিৰ্বাচনী সভাত অংশ লয়। শ্ৰীবড়োৱে বি টি আৰৰ শান্তি, সমৃদ্ধি তথা উন্নয়নৰ বাবে এইবাৰৰ নিৰ্বাচনত ইউ পি পি এলক জয়ী কৰাবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। নিৰ্বাচনী সভাখনত ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ময়ো অংশগ্ৰহণ কৰে। চিৰাং জিলাত নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে এইদৰে কয়-

***(বাইট ঃ কুঞ্জমোহন ৰায়)***

উল্লেখযোগ্য যে অঞ্চলটোৰ ৪০টা সমষ্টিত ৩১৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে।

ওদালগুৰি জিলাৰ নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে পোলিং বিষয়াসকলৰ প্ৰশিক্ষণ আৰম্ভ কৰিছে। টংলা মহাবিদ্যালয়ত ৯৫৬জন প্ৰিজাইডিং আৰু পোলিং বিষয়াক প্ৰশিক্ষণৰ শুভাৰম্ভ কৰি জিলা আয়ুক্ত পুলক পাটগিৰিয়ে নিৰ্বাচন প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাটো নিশ্চিত কৰিবলৈ সকলোকে আহ্বান জনায়। কাইলৈ ওদালগুৰি মহাবিদ্যালয়ত দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ দিয়া হ'ব।

০০০০০০

পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে প্ৰকাশ এটা প্ৰতিবেদন অনুসৰি অসমত বছৰি গড়ে সাত হাজাৰটা পথ দুৰ্ঘটনাত তিনি হাজাৰ ব্যক্তিৰ প্ৰাণহানি হয়। প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি ২০১৯ৰ পৰা ২০২৩ বৰ্ষলৈ ৰাজ্যত মুঠ ৩৪ হাজাৰ ৮২০ টা পথ দুৰ্ঘটনাত ১৫ হাজাৰ ১৬৩ গৰাকী ব্যক্তিয়ে প্ৰাণ হেৰুৱাইছে। দুৰ্ঘটনাত অধিকাংশই দুচকীয়া বাহনৰ সংঘৰ্ষৰ ফলত নিহত হৈছে। এই পথ দুৰ্ঘটনাসমূহৰ অধিকাংশই দ্ৰুত গতি, বিপৰীত দিশত চলাচল, বিসংগতিপূৰ্ণ পথ নিৰ্মাণ আৰু জৰাজীৰ্ণ পথৰ বাবে সংঘটিত হয়। এই পথ দুৰ্ঘটনা ৰোধ কৰিবৰ বাবে মন্ত্ৰালয়ৰ তৰফৰ পৰা শিক্ষা, পথ নিৰ্মাণৰ কাৰিকৰী দিশ, জৰুৰীকালীন সেৱা আদিৰ উন্নীতকৰণৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

০০০০০০

অসম আৰক্ষীয়ে মাদক দ্ৰব্য বিৰোধী অভিযানত বিশেষ সফলতা লাভ কৰিছে। কাছাৰ আৰক্ষীয়ে কালি টোলেনগ্ৰামত অভিযান চলাই বুজন পৰিমাণৰ হেৰ'ইন জব্দ কৰে। জব্দ কৰা মাদক দ্ৰব্যখিনিৰ বজাৰ মূল্য ডেৰ কোটিৰো অধিক বুলি আৰক্ষীয়ে জনাইছে। এই সংক্ৰান্তত আৰক্ষীয়ে এজন লোকক আটক কৰে।

ইপিনে, গুৱাহাটী মহানগৰ আৰক্ষীয়ে ৰাধা নগৰৰ চচলত অভিযান চলাই বুজন পৰিমাণৰ হেৰ'ইনসহ এজন লোকক আটক কৰে। মাদকদ্ৰব্যখিনিৰ বজাৰ মূল্য প্ৰায় দুই কোটি টকা বুলি আৰক্ষীয়ে জনাইছে।

০০০০০০

বিহাৰৰ ৰাজগিৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত পুৰুষৰ এছিয়া কাপ হকী চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰতে কালি দক্ষিণ কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চতুৰ্থবাৰৰ বাবে খিতাপ জয় কৰে। এই জয়ৰ সুবাদত ভাৰতে নেডাৰলেণ্ডছ আৰু বেলজিয়ামত অহা বছৰ হ'বলগীয়া এফ আই এইচ হকী বিশ্বকাপৰ বাবে যোগ্যতা অৰ্জন কৰে। ভাৰতে খেলখনৰ আৰম্ভণিতে সুখজিতৰ গ'লৰ সহায়ত প্ৰতিযোগিতাখনত আগবাঢ়ি থাকে। প্ৰথমাৰ্ধৰ সামৰণিৰ কিছু সময়ৰ পূৰ্বে খেলখনৰ ২৮ মিনিটত দিলপ্ৰীতে আনটো গ'ল দিয়ে। দিলপ্ৰীতে পুনৰ খেলখনৰ ৪৫ মিনিটত অধিনায়ক হৰমনপ্ৰীত সিং আৰু ৰাজিন্দৰৰ সুন্দৰ সহযোগিতাত তৃতীয়টো গ'ল দিয়ে ইয়াৰ পাছত খেলখনৰ ৫০ মিনিটত পেনাল্টি কৰ্নাৰৰ জৰিয়তে আন এটা গ'ল দি ভাৰতে ৪-০ৰ অগ্ৰগতি লাভ কৰে। দক্ষিণ কোৰিয়াই বহুদেৰিকৈ ছন ডেইনৰ পেনাল্টি কৰ্নাৰৰ জৰিয়তে একমাত্ৰ গ'লটো দিয়ে। অৱশ্যে তেতিয়ালৈ ভাৰতে খেলখনত বিজয় সুনিশ্চিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়া কাপত খিতাপ অৰ্জন কৰাৰ বাবে ভাৰতীয় হকী দলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে ভাৰতে যোৱাবাৰৰ চেম্পিয়ন দক্ষিণ কোৰিয়াক পৰাজিত কৰি এই জয়ক বিশেষ কৰি তুলিলে। তেওঁ এয়া ভাৰতীয় হকী তথা ভাৰতীয় ক্ৰীড়াৰ বাবে অতি গৌৰৱৰ মুহূৰ্ত বুলি উল্লেখ কৰে। ইপিনে হকী ইণ্ডিয়াই দলটোৰ খেলুৱৈসকললৈ ৩ লাখ টকাকৈ প্ৰদানৰ কথা ঘোষণা কৰিছে। দলটোৰ সহকাৰী সদস্যসকলকো ডেৰ লাখ টকাকৈ প্ৰদান কৰা হ'ব।

oooooo

## MUST ANNOUNCEMENT/RNU

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিছে। নামনি অসমৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ মেগা হাৰ্টজত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ পৰা, ১০৩ দশমিক ৩ মেগা হাৰ্টজত আকাশবাণী ধুবুৰী কেন্দ্ৰৰ পৰা, ১০২ দশমিক ৬ মেগা হাৰ্টজত গোৱালপাৰা ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

oooooo

NPR/RNU (08-09-2025)

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইবোৰ কাকতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ বিভিন্ন বাতৰি প্ৰকাশ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি জনোৱা বাতৰিটো আটাইবোৰ কাকতে প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ জলপথ প্ৰাধিকৰণৰ উদ্যোগত বিস্তীৰ্ণ পাৰৰে ঃ শদিয়াৰ পৰা ধুবুৰীলৈ এটি সংগীতময় যাত্ৰা শীৰ্ষক সাংস্কৃতিক কাৰ্যসূচীৰ বাতৰি প্ৰকাশ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে বিধানসভাৰ স্থায়ী সমিতিৰ প্ৰতিবেদনত উন্মোচিত তথ্যৰে চৰকাৰী চিকিৎসালয়ত ৰোগীয়ে উপযুক্ত চিকিৎসা নোপোৱা সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

এন আৰ চিত বাদ পৰা ১৯ লাখ লোকে ভাৰতীয় নাগৰিকত্ব পোৱাৰ সম্ভাৱনা আছে বুলি **আমাৰ অসম** কাকতে বাতৰি প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰথম পৃষ্ঠাৰ প্ৰতিটো বাতৰিত শিল্পীগৰাকীৰ জীৱনৰ বিভিন্ন দিশ আলোকপাত কৰিছে।

চৌদিশে ধ্বনিত হ'ল 'মৃত্যু জিনাৰ গান' শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে বাতৰি প্ৰকাশ কৰিছে। এই একেখন কাকতে জি এছ টি হ্ৰাসৰ সিদ্ধান্তৰ পাছতে প্ৰতিবেগ চিমেণ্টৰ মূল্য ১০ টকালৈ বৃদ্ধি হোৱাৰ বাতৰিটো প্ৰকাশ কৰিছে।

উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত এন ডি এৰ প্ৰাৰ্থীৰ বৃহৎ জয়ৰ সম্ভাৱনা আছে বুলি **অসমীয়া খবৰ** কাকতে বাতৰি প্ৰকাশ কৰিছে।

নলবাৰীৰ মহখুলিৰ ডকাইতি আৰু নৃশংস হত্যাকাণ্ডৰ সৈতে জড়িত দুগৰাকী যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে।

**দা ছেণ্টিনেল** কাকতত বছৰত প্ৰায় ৭ হাজাৰ পথ দুৰ্ঘটনা হোৱাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

ৰাছিয়াই ইউক্ৰেইনক ৰাজধানী চহৰ কিভ আক্ৰমণ কৰাৰ এটা বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে গাজনি-ঢেৰেকনীৰে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত